অধ্যায় ৫ ঃ সতী জয়মতী, দ্বিতীয় প্ৰৱাহ (১৬-৩১ শ্লোক)

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ মূল সংস্কৃত পাঠ (শ্লোক ১৬-৩১)

৫.৩.১ শ্লোকসমূহৰ অন্বয়, অন্বয়ার্থ আৰু অসমীয়া অনুবাদ

৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৫ অধিক জানিবলৈ

৫.৬ অগ্ৰগতিৰ খতিয়ান

৫.৭ আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 'সতী জয়মতী'ৰ দ্বিতীয় প্ৰৱাহৰ ১৬টা শ্লোক পঢ়িব পাৰিব
- শ্লোকসমূহৰ মূল পাঠ তথা অন্বয় বুজিব পাৰিব
- শ্লোকসমূহৰ অন্বয়ার্থ আৰু অনুবাদ পঢ়িব পাৰিব
- গদাপাণি আৰু জয়মতীৰ যুগ্ম জীৱনৰ বিষয়ে অবগত হ'ব পাৰিব
- জয়মতীৰ দুই পুত্ৰৰ বিষয়ে জানিব পাৰিব।

৫.২ পৰিচয়

ইতিমধ্যে আপুনি আগৰ অধ্যায়ত ভৱদেৱ ভাগৱতী বিৰচিত সতী জয়মতী কাব্যৰ দ্বিতীয় প্ৰবাহৰ ১ নং শ্লোকৰ পৰা ১৫ নং শ্লোকৰ বিষয়বস্তুৰ লগত পৰিচয় হৈ আহিছে। গদাপাণিৰ জন্ম, তেওঁৰ শৈশৱ আৰু তেওঁৰ জয়মতীৰ সৈতে বিবাহৰ বিষয়ে ইতিমধ্যে জানিব পাৰিছে। শ্লোকসমূহৰ মূল সংস্কৃত পাঠ, অন্বয় তথা অসমীয়া অনুবাদ পঢ়িবলৈ সমৰ্থ হৈছে। কবিয়ে জয়মতীৰ বিবাহৰ বৰ্ণনা ইয়াত সুন্দৰ ৰূপত উপস্থাপন কৰিছে।

এই অধ্যায়টোত সতী জয়মতী কাব্যখনৰ দ্বিতীয় প্ৰবাহৰ শেষৰ শ্লোকসমূহ অৰ্থাৎ ১৬ নং শ্লোকৰ পৰা ৩১ নং শ্লোকসমূহ আলোচনা কৰা হৈছে। শ্লোকসমূহৰ মূল পাঠ, অন্বয়, অন্বয়ার্থ তথা অসমীয়া অনুবাদ আগবঢ়োৱা হৈছে। এই অধ্যায়টোৰ শ্লোকসমূহত গদাপাণি আৰু জয়মতীৰ যুগ্ম জীৱন কবিয়ে নান্দনিক ৰূপত উল্লেখ কৰিছে। কালক্ৰমত তেওঁলোকৰ দুটি পুত্ৰ সন্তানৰ জন্ম হ'ল, তেওঁলোকৰ নাম ৰখা হ'ল লাই আৰু লেছাই।

৫.৩ মূল সংস্কৃত পাঠ (শ্লোক ১৬-৩১)

আৰামস্য দ্রুমকসৱিধে দত্তপাদঃ কুমাৰো
দুষ্ট্ৱাভীক্ষ্ণং কুসুমিতলতাং পুষ্টভাৱৈঃ সুনম্রাম্
পশ্যত্যাৱিঃ পৱিজনমুখং পুষ্পিতং যৌৱনেন
যস্মাদাসীত্ কুসুমনিৱহে তস্য বক্রস্য সাম্যম্।। ১৬।।
কার্য্যৈঃ ক্লান্তঃ সপদি সদনং প্রাপ্য প্রখ্যাতৱীর্য্যঃ
পত্নীবক্ত্রে ক্লমবিৱহিতে দত্তচক্ষুর্য্যদা ৱৈ।
পত্যুঃ ক্লান্তিং গময়িতুমলং ভিন্নকার্য্যং বিহায
কালে তস্মিন্ দয়িত সুখদা ব্যস্তচিত্তা বভূৱ।। ১৭।।
ইত্থং সম্যক্ পিকমুখৱিতং পুষ্টকালং চতুষ্কম্
কৃত্ৱা সাক্ষাদ্ যুৱতিযুৱকৌ চক্রযুগ্মপ্রকৃষ্টৌ।
ৱেমতে ৱৈ তৰণকুশলৌ সাগৱে প্রেমৰূপে
নাজ্ঞাসিষ্টাং বিৱহজনিতং দুঃখজাতঞ্চ তস্মাত্।। ১৮।।
স্নাত্ৱা প্রাতঃ কিল জয়মতী শুভ্ৰৱস্ত্রং দধানা
ভক্তানাম্ৱৈ ভজনফলদং ৱোগিনামিষ্টদেৱম্।
সন্তানার্থং নৱদিনকৱং স্তৌতি বাক্যৈঃ প্রভূতৈ-
র্ম্মন্যে তস্যৈ সৱসিজপতিঃ প্রীতচিত্তো বভূৱ।। ১৯।।
ৱিশ্ৱেশস্য প্রকৃতিৱচনে মোদমাত্রং চকাস্তি
নোচেন্নুনং কিমিহ সফলং চিন্ময়স্য প্রকৃত্যা।
ৱল্লীনাম্ৱৈ কুসুমসময়ে পুষ্পভাৱপ্রদানম্
লীলাস্মচন্য ভগৱত ইদং ক্রোড়দেশে প্রকৃত্যাঃ।। ২০।।
সূর্য্যেদেৱঃ প্রকটবলৱান্ ব্রহ্মৰূপো দিনেশো
গর্ভং দেৱ্যা জনয়তিতৰাং স্ৱামিনো মানসস্থাঃ।
ইত্থং দেৱী সৱতি লতিকাং কোৱকৈর্যুজ্যমানাম্
পুষ্পপ্রাযো ভৱতু তনয়ো লক্ষণৈৱীড্যমানঃ।। ২১।।
স্মাৱং স্মাৱং পৱমপুৰুষং সৃষ্টিপালং পৱেশম্
কাৱং কাৱং চৱণকমলৈ চার্চ্চনং তস্য পত্যুঃ।
ধাৱং ধাৱং জঠৱভৱণং দিব্যৰূপা সহিত্রী
তূর্ণং তূর্ণং ভৱতি বিপুলা গাত্রদেশেন দেৱী।। ২২।।
ধাতা যত্নাজ্জনয়তি পয়স্তন্যৰূপং জায়ায়া-
শ্চিহ্নন্ত্ৱেতত্ প্রসৱসময়ো নাতিদূৱে ৱমণ্যাঃ।
কালে লগ্নে শুভফলয়ুতে হর্ষভূপালতুল্যম্
সেয়ং দেৱী ফলু জয়মতী পুত্রৱন্তেং প্রসূতে।। ২৩।।

নাসীত্ কো২পি ক্কণনমধুৰে ৰম্যদেশে দুৰাত্মা
য়ো দুর্দ্দিষ্টয়া ন ভৱতি সুখী ৰাজপুত্রং বিলোক্য।
নাভূচ্চাত্র ক্কণনবিৰজনজং জন্মবার্ত্তাবিমূঢ়ম্।। ২৪।।
লব্ধা পুত্রং সুৰপতিসমং কান্তিপুষ্টিসমূহে
পত্যুস্তস্যা বদনকমলং স্মিতহাস্যং প্রকাশ্য।
জচে পত্ন্যৈ জয়মতি ! শুভে ! চিত্রপমে কিয়ান্তম্
লীলাবদ্ধঃ পৰমপুৰুষো হাস্যলাসং তনোতি।। ২৫।।
স্নেহাত্ সদ্যো২ভিনবতনয়ং বীক্ষ্য মাতা স্বচিহ্নৈহ্
গণ্ডে হস্তং গময়তি শিশোশ্চুম্বনাদ্ভাষতে চ।
প্রাণেম্ভো২পি ত্বমিহ জগতি প্রেষ্ঠ এৱেতি মন্যে
দীর্ঘং জীৱ্যাঃ কুলজতিলকো 'লাই' সংজ্ঞঃ সুবত্স।। ২৬।।
ধাত্রীত্যত্তে কৰযুগলকে দত্তহস্তঃ কুমাৰঃ
প্রীত্যাস্থিৰং প্রচলতি যদা পঞ্চ ষড্ কা পদানি।
তস্যাদূৰে হসতি জননী প্রেক্ষতে চ সতৃষণম্
পুত্রে যস্মাদ্গণয়তি সুখং স্নেহমূর্ত্তির্জ্জনিত্রী।। ২৭।।
প্রমোদানাং লসিতজলধৌ মোদিনৌ দম্পতী বৈ
কিঞ্চিন্মাত্রং কুশলৰহিতং নানুভূতৌ কদাচিত্।
এবং সৌখ্যে সুৰভিসময়ে প্রাদূৰাসীদ্দ্বিতীয়ঃ
ক্রোড়ে তস্যাঃ সদনসুখদো বংশকান্তঃ সুপুত্রঃ।। ২৮।।
ত্রেতায়াম্বৈ ভজননিপুণো লক্ষ্মণো শ্রেষ্ঠধন্বা
ৰামং য়াদৃক্ সদয়মনসা সেৱযামাস সুষ্ঠ।
এষ জ্যেষ্ঠং প্রথমতনয়ং সেৱতাং সর্ব্বথা বৈ
আধাযৈবং মনসি জননী সাম্যসংজ্ঞাঞ্চ তেনে।। ২৯।।
মাত্রা দত্তা জগতি বিদিতা পুত্রসংজ্ঞা প্রশস্যা
মন্যে তস্মাদ্ ভৱতি প্রথিতো লোকমধ্যে স লেচাঃ।
দৃশ্যঞ্চৈতত্ প্রচলতি য়দা পুত্রযুক্তা স্বগেহে
যাদৃক্সিংহী বিচৰতি বনে নির্ভয়া শাৱকাভ্যাম্।। ৩০।।
সংসাৰে ভগভোগভাগনিবহং যন্মৃগ্যতে মানুষৈ—
র্দুর্ল্লভ্যং মনুজৈঃ কিলাত্র সকলং বিশ্বেশৰাজ্যে সদা।
আসাদ্য প্রথমম্বিধাতৃবিভবং দাম্পত্যযোগাত্ পুনঃ
তত্সর্ব্বৈর্ধনধান্যভোগনিক্রৈঃ সম্যগ্গদা ৰাজতে।। ৩১।।

৫.৩.১ শ্লোকসমূহৰ অন্বয়, অন্বয়ার্থ আৰু অসমীয়া অনুবাদ

১৬ নং শ্লোক

অন্বয় ঃ আৱমস্য দ্রুমকসবিধে দত্তপাদঃ কুমাৱঃ পুষ্পভাৱৈঃ সুনম্রাম্ কুসুমিতলতাং অভীক্ষ্ণং দৃষ্ট্বা যৌৱনেন পুষ্পিতং পৱিজন মুখং আবিঃ পশ্যতি, যস্মাৎ কুসুমনিবহে তস্য বক্রস্য সাম্যম্ আসীৎ।

অন্বয়ার্থ ঃ আৱামস্য (উপবনৰ) দ্রুমকসবিধে (গছৰ ওচৰত) দত্তপাদঃ (খোজ ৰখাৰ অর্থাৎ বিচৰণ কৰি থকাৰ সময়ত) কুমাৱঃ (কুমাৰ গদাপাণিয়ে) পুষ্পভাৱৈঃ (ফুলৰ ভৱেৰে অর্থাৎ ওজনেৰে) সুনম্রাং (অতিশয় দো খাই থকা) কুসুমিত লতাং (ফুলি থকা লতাৰ ফালে) অভীক্ষ্ণং (বাৰে বাৰে) দৃষ্ট্বা (চাই) যৌবনেন (যৌৱনেৰে) পুষ্পিতং (উপচি পৰা) পৱিজনমুখং (ভার্য্যাৰ মুখৰ পিনে) আবিঃ পস্যতি (বাৰে বাৰে চালে), যস্মাৎ (কিয়নো) কুসুম-নিবহে (ফুলবোৰত) তস্য বক্রস্য (সেই মুখৰ) সাম্যম্ আসীৎ (সমানতা আছিল)।

অসমীয়া অনুবাদ ঃ উপবনৰ গছৰ ওছৰত বিচৰণ কৰি থকাৰ সময়ত কুমাৰ গদাপাণিয়ে ফুলৰ ভৱেৰে অতি দো খাই থকা ফুলিথকা এডাল লতাৰ পিনে বাৰে বাৰে চাই যৌৱনেৰে উপচি পৰা প্রিয়াৰ মুখৰ পিনে বাৰে বাৰে চালে, কিয়নো ফুলবোৰত তেওঁৰ প্রিয়াৰ মুখৰ সমানতা আছিল।

১৭ নং শ্লোক

অন্বয় ঃ কার্য্যৈঃ ক্লান্তঃ প্রখ্যাতবীর্য্যঃ সপদি মদনং প্রাপ্য য়দা ক্লমবিৰহিতে পত্নীবক্রে দত্তচক্ষুঃ বৈ, কালে দয়িতসুখদা পত্যুঃ ক্লান্তিং গময়িতুং ভিন্নকার্য্যং বিহায় অলং ব্যস্তচিত্তা বভূৱ।

অন্বয়ার্থ ঃ কার্য্যৈঃ (সংসাৰিককর্মত) ক্লান্তঃ (ভাগৰি পৰা) প্রখ্যাতবীর্য্যঃ (বিখ্যাত পৰাক্রমী পদাপাণি) সপদি (সেই সময়তে) সদনং প্রাপ্য (ঘৰত উপস্থিত হৈ) য়দা (যেতিয়া) ক্লমবিৰহিতে (ভাগৰ গুচাবলৈ) পত্নীবক্রে (পত্নীৰ মুখৰ ফালে) দত্তচক্ষুঃ কালে (চকু পেলোৱা মাত্রকে) দয়িতসুখদা (পতিসুখদায়িনী) পত্যুঃ ক্লান্তিং (পতিৰ ভাগৰ) গময়িতুং (গুচাবলৈ) ভিন্নকার্য্যং বিহায় (আন কাম বাদ দি) অলং ব্যস্তচিত্তা বভূৱ (ততালিকে যথাসাধ্যে ব্যস্ত হৈ পৰিছিল।

অসমীয়া অনুবাদ ঃ সাংসাৰিক কর্ম কৰি ভাগৰি পৰা প্রখ্যাত পৰাক্রমী গদাপাণিয়ে

সেই সময়তে ঘৰত উপস্থিত হৈ যেতিয়া ভাগৰ গুচাবলৈ পত্নীৰ মুখৰ ফালে চকু পেলোৱা মাত্রকে পতিসুখদায়িনী জয়াই পতিৰ ভাগৰ গুচাবলৈ আন কাম আঁতৰাই থৈ ততালিকে একাণপতীয়াকৈ ব্যস্ত হৈ পৰিছিল।

১৮ নং শ্লোক

অন্বয় ঃ ইত্থং সম্যক্ পিকমুখৰিতং পুষ্পকালং চতুষ্কং সাক্ষাৎ কৃত্বা চক্রযুগ্মপ্রকৃষ্টৌ যুৱতিযুৱকৌ ৰেমাতে বৈ, প্রেমৰূপে সাগৰে তৰণকুশলৌ তস্মাৎ বিৰহজনিতং দুঃখজাতং চ ন অজ্ঞাসিষ্টাম্।

অন্বয়ার্থ ঃ ইত্থং (এনেকৈয়ে) সম্যক্ (ভালদৰে) পিকমুখৰিতং পুষ্পকালং (কুলিয়ে কুজন কৰা পুষ্পকাল অর্থাৎ বসন্তকাল) চতুষ্কং (চাৰিটা) সাক্ষাৎকৃত্বা (সুখেৰে অতিবাহিত কৰি) চক্রযুগ্মপ্রকৃষ্টৌ (চক্রৱাকপক্ষীদ্বন্দ্বৰ দৰে) যুৱক যুৱকৌ (যুৱক-যুৱতী দুজনে অর্থাৎ গদাপাণি-জয়মতীয়ে) ৰেমাতে (আনন্দ উপভোগ কৰিছিল)। প্রেমৰূপে সাগৰে (প্রেমৰূপী সাগৰত) তৰুণকুশলৌ (সাঁতোৰাত সুনিপুণ দুয়োজনে) তস্মাৎ (সেয়েহে) বিৰহজনিতং (বিৰহৰ পৰা ওপোজা) দুঃখজাতং (দুখবোৰ) চ ন অজ্ঞাসিষ্টাম্ (উপলব্ধি কৰিব পৰা নাছিল)।

অসমীয়া অনুবাদ ঃ এনেকৈয়ে ভালদৰে চাৰিটা (অর্থাৎ চাৰিটা বচৰ) কুলিয়ে কুজনকৰা পুষ্পকাল অর্থাৎ বসন্তকাল সুখেৰে অতিবাহিত কৰি চক্রৱাক-চক্রৱাকী পক্ষীদ্বন্দ্ব যেন যুৱক-যুৱতীহালে অর্থাৎ গদাপাণি-জয়মতীয়ে আনন্দ উপভোগ কৰিছিল। প্রেমৰূপী সাগৰত সাঁতোৰাত সুনিপুণ দুয়োজনে সেয়েহে বিৰহৰ পৰা ওপোজা দুখবোৰ উপলব্ধি কৰিব পৰা নাছিল।

১৯ নং শ্লোক

অন্বয় ঃ প্রাতঃ কিল স্নাত্বা শুভবস্ত্রং দধানা জয়মতী সন্তানার্থম্ ভদ্রানাং বৈ ভজনফলদং, ৰোগীনাম্ ইষ্টদেবম্ নৱদিলকৰং প্রভূতৈঃ বাক্যৈঃ স্তৌতি। মন্যে তস্যৈ সৰসিভূজপতিঃ প্রীতচিত্তো ববূৱঃ।

অন্বয়ার্থ ঃ প্রাতঃ কিল (ৰাতিপুৱাই) স্নাত্বা (স্নান কৰি) শুভবস্ত্রং (নির্মল কাপোৰ) দধানা (পৰিধান কৰি) জয়মতী (জয়মতীয়ে) সন্তানার্থম্ (সন্তান প্রাপ্তিৰ বাবে) ভক্তানাং (ভক্তসকলৰ) ভজনফলদং (ভজন অর্থাৎ স্তুতিৰ ফলদাতা), ৰোগীনাম্ ইষ্টদেৱম্ (ৰোগীবিলাকৰ ইষ্টদেৱতা) নৱদিনকৰং (নবীন সূর্যদেৱতাক) প্রভূতৈ বাক্যৈঃ (বহুত স্তুতি বাক্যেৰে) স্তৌতি

(প্ৰাৰ্থনা কৰিছিল)। মন্যে (বোধকৰো) তস্যৈ (সেই জয়মতীৰ প্ৰতি) **সৰসিজপতিঃ** (পদুমফুলৰ পতি অৰ্থাৎ সূৰ্য্যদেৱ) প্ৰীতচিত্তো বভূৱঃ (সন্তুষ্ট হৈছিল)।

অসমীয়া অনুবাদ ঃ ৰাতিপুৱাই স্নান কৰি নিৰ্মল কাপোৰ পৰিধান কৰি জয়মতীয়ে সন্তান প্ৰাপ্তিৰ বাবে, ভক্তসকলৰ স্তুতিৰ ফলদাতা তথা ৰোগীবিলাকৰ ইষ্টদেৱতা নৱীন সূৰ্য্যদেৱতাক বহুত স্তুতি বাক্যেৰে প্ৰাৰ্থনা কৰিছিল। বোধহয় সেই জয়মতীৰ প্ৰতি (সেয়েহে) সূৰ্য্যদেৱতা সন্তুষ্ট হৈছিল।

সৰসিজপতি ঃ সূৰ্য্য দেৱতা। সৰসি অৰ্থাৎ পানীত যাৰ জন্ম, সেয়া হ'ল পদুম ফুল। তেওঁৰ পতি হ'ল সূৰ্য্যদেৱতা। অৰ্থাৎ সূৰ্য্যৰ আবিৰ্ভাবতহে পদুম ফুল ফুলে বুলি শাস্ত্ৰ সিদ্ধান্ত মত। সৰসি জায়তে ইতি সৰসি জন্ + ড - সৰসিজম্, পদ্মম্। সৰসিজানাং পতিঃ সৰসিজপতিঃ, সূৰ্য্যদেৱঃ'।



জানি থোৱা ভাল

স্নান ঃ স্নান পাঁচ প্ৰকাৰৰ বুলি কোৱা হৈছে। সেইবোৰ হৈছে— আগ্নেয়ং, বাৰুণ্যং, ব্ৰাহ্মং, বায়ব্যং আৰু দিব্যম্।

'আগ্নেয়ং বাৰুণ্যং ব্ৰাহ্মং বায়ব্যং দিব্যমেৱ চ।
আগ্নেয়ং ভস্মনা স্নানমবাগাহ্যন্তু বাৰুণ্যম্।

ইষ্ট ঃ প্ৰিয়, উপাস্য, অভিলষিত আদি অৰ্থত 'ইষ্ট' শব্দটো প্ৰয়োগ কৰা হয়। ইষ্ + ক্ত = ইষ্ট। ধৰ্মকাৰ্য্যকো ইষ্ট বুলি কোৱা হয়। 'অত্ৰিসংহিতা'ৰ মতে অগ্নিহোত্ৰ, সত্যৰ তপ, বেদৰ পালন, আতিথ্য আৰু বৈশ্বদেৱক ইষ্ট বুলি কোৱা হয়—

'অগ্নিহোত্ৰং তপঃ সত্যং বেদানাঞ্চৈৱ পালনম্।
আতিথ্যং বৈশ্বদেৱঞ্চ ইষ্টমিত্যভিধীয়তে।।

২০ নং শ্লোক

অন্বয় ঃ প্ৰকৃতিৰচনে বিশ্বেশস্য মোদমাত্ৰং চকাস্তি, নোচেৎ চিন্ময়স্য প্ৰকৃত্যা ইহ নূনং কিং সফলং (অস্তি)। কুসুমসময়ে বল্লীনাং ৱৈ পুষ্পভাষপ্ৰদানং প্ৰকৃত্যাং ক্ৰোড়দেশে ভগবতঃ ইদং লীলাং মন্যে।

অন্বয়ার্থ ঃ প্ৰকৃতিৰচনে (প্ৰকৃতি অৰ্থাৎ জগতসৃষ্টি কৰাত) বিশ্বেশস্য (সৃষ্টিকৰ্তা পৰমেশ্বৰৰ) মোদমাত্ৰং (কেবল আনন্দহে) চকাস্তি (প্ৰকাশিত হয়), নোচেৎ (নহ'লে) চিন্ময়স্য (চিৎস্বৰূপ পৰমেশ্বৰৰ) প্ৰকৃত্যা (প্ৰকৃতিৰ সৃষ্টিৰ দ্বাৰা) ইহ (এই জগতত) নূনং (নিশ্চিত ভাবে) কিং সফলং অস্তি (কি বা সাৰ্থকতা আছে)। কুসুমসময়ে (বসন্তকালত) বল্লীনাং বৈ পুষ্পভাৰ প্ৰদানং (লতাবোৰত পুষ্পভাৰ প্ৰদান অৰ্থাৎ লতাত ফুলৰ থোপা প্ৰদান) প্ৰকৃত্যাঃ ক্ৰোড়দেশে (প্ৰকৃতিৰ বুকুত) ভগবতঃ (ভগবানৰ) ইদং লীলাং মন্যে (এইটো লীলা বুলিহে ভাবিব পাৰি)।

অসমীয়া অনুবাদ ঃ প্রকৃতি অর্থাৎ জগত সৃষ্টি কৰাত সৃষ্টিকর্তা পৰমেশ্বৰৰ কেবল আনন্দহে প্রকাশিত হয়। নহ'লে চিৎ স্বৰূপ পৰমেশ্বৰৰ প্রকৃতি সৃষ্টিৰ জৰিয়তে এই জগতত সঁচাকৈয়ে কি বা সার্থকতা থাকিব পাৰে। (নিশ্চয়ে নাই, অর্থাৎ জগত সৃষ্টিৰ দ্বাৰা সৃষ্টিকর্তাই কেবল আনন্দহে পাইছে। তাৰ বাহিৰে আন ফলৰ বাবে তেওঁ জগত সৃষ্টি কৰা নাই।) বসন্তকালত লতাবোৰত পুষ্পভাৰ অর্থাৎ ফুলৰ থোপাবোৰ প্রদান কৰাটো প্রকৃতিৰ বুকুত ভগবানৰ এইটো লীলা বুলিহে ভাবিব পাৰি।

২১ নং শ্লোক

অন্বয় ঃ প্রকটবলবান্ ব্রহ্মৰূপঃ দিনেশঃ দেৱঃ সূর্য্যঃ স্বামিনঃ মানসস্থঃ (সন্) দেৱ্যাঃ গর্ভং জনয়ত্। ইত্থং দেৱী কোৰকৈঃ যুজ্যমানাং ইতৰাং লতিকাং সৰতি। (তস্যাঃ) লক্ষণৈঃ ঈড্যমানঃ পুষ্পপ্রায়ঃ তনয়ঃ ভৱতুঃ।

অন্বয়ার্থ ঃ প্রকটবলবান্ (বিপুল বলশালী) ব্রহ্মৰূপঃ (ব্রহ্মৰ স্বৰূপ) দিনেশঃ দিননাথ) দেৱঃ সূর্য্যঃ (সূর্য্য দেৱতাই) স্বামিনঃ (স্বামী গদাপাণিৰ) মানসস্থঃ (মনত স্থিতি হৈ) দেৱ্যাঃ (দেৱী জয়মতীৰ) গর্ভং জনয়ৎ (গর্ভ জন্মালে)। ইত্থং (এনেকৈয়ে) দেৱী (দেৱী জয়মতী) কোৰকৈঃ (ফুলৰ মুকুলেৰে) যুজ্যমানাং (সংযোজিত হোৱ) ইতৰাং (এদাল) লতিকাং সৰতি (লতিকা অর্থাৎ লতাকহে যেন অনুকৰণ কৰিলে)। (তেওঁৰ) লক্ষণৈঃ (শুভগুণেৰে) ঈড্যমানঃ (শ্লাঘনীয়) পুষ্পপ্রায়ঃ (পুষ্পসদৃশ) তনয়ঃ ভবতুঃ (পুত্র এটিৰ জন্ম হওক)।

অসমীয়া অনুবাদ ঃ বিপুল বলশালী ব্রহ্মৰ স্বৰূপ দিননাথ সূর্য্য দেৱতাই স্বামী গদাপাণিৰ মনত স্থিতি হৈ দেৱী জয়মতীৰ গর্ভ জন্মালে। এনেকৈয়ে দেৱী জয়মতী ফুলৰ মুকুল সংযোজিত হৈ থকা এজুপি লতা যেন হে হৈ পৰিল। তেওঁৰ সুলক্ষণীয়া শ্লাঘনীয় পুষ্পসদৃশ এটি পুত্র সন্তান জন্ম হওক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ গদাপাণিয়ে ফুলবোৰৰ মাজত কাৰ সাদৃশ্য দেখিছিল?

.....

প্রশ্ন নং ২ ঃ জয়মতীয়ে কাৰ শুশ্রূষা কৰিছিল?

.....

প্রশ্ন নং ৩ ঃ গদাপাণিৰ বিবাহৰ কিমান বছৰ পিছত সন্তান জন্ম হৈছিল?

.....

প্রশ্ন নং ৪ ঃ জয়মতীয়ে ৰাতিপুৱা কোন দেৱতাৰ স্তুতি কৰিছিল।

.....

প্রশ্ন নং ৫ ঃ 'কুসুমসময়' শব্দটোৰ অর্থ কি?

.....

২২ নং শ্লোক

অন্বয় ঃ পৰমপুৰুষং সষ্টিপালং পৰেশং স্মাৰং স্মাৰং তস্য পত্যুঃ চৰণকমলে অর্চনং চ কাৰং কাৰং, জঠৰ ভৰণং ধাৰং ধাৰং বিদ্যৰূপা সহিত্রী দেৱী গাত্রদেশেন তুর্ণং তুণং বিপুলা ভৱতি।

অন্বয়ার্থ ঃ পৰমপুৰুষং (পৰমেশ্বৰক) সৃষ্টিপালং (সৃষ্টিপালক) পৰেশং (ভগবানক) স্মাৰং স্মাৰং (বাৰে বাৰে স্মৰণ কৰি) তস্য পত্যুঃ (তেওঁৰ পতি গদাপণিৰ) চৰণকমলে (চৰণ-কমলত) অর্চনং (অর্চনা) চ কাৰং কাৰং (আৰু বাৰে বাৰে কৰি), জঠৰ ভৰণং (গর্ভৰ ভাৰ) ধাৰং ধাৰং (ক্রমশঃ বহন কৰি) দিব্যৰূপা (দিব্যৰূপিনী) সহিত্রী (সহনশীলা) দেৱী (দেৱী জয়মতী) গাত্রদেশেনে (দেহৰ বিস্তাৰেৰে) তুর্ণং তুর্ণং (মুহূর্ত্তে মুহূর্ত্তে) বিপুলা (ডাঙৰ) ভৱতি (হ'বলৈ ধৰিলে)।

অসমীয়া অনুবাদ ঃ পৰমেশ্বৰ সৃষ্টিপালক ভগৱানক বাৰে বাৰে স্মৰণ কৰি তেওঁৰ পতি গদাপাণিৰ চৰণকমলত পুনঃ পুনঃ শ্রদ্ধা নিবেদন কৰি আকৌ উদৰৰ ভাৰ ক্রমশঃ বহন কৰি দিব্যৰূপিনী সহনশীলা দেৱী জয়মতী দেহৰ বিস্তাৰেৰে মুহূর্তে মুহূর্তে বিপুলা হ'বলৈ ধৰিলে।

২৩ নং শ্লোক

অন্বয় ঃ ধাতা যত্নাৎ জয়ায়াঃ স্তন্যৰূপং পয়ঃ জনয়তি, ৰমণ্যাঃ প্রসৱসময়ঃ নাতিদূৰে তু ত্রতৎ চিহ্নং। শুভফলযুতে লগ্নে কালে সা ইয়ং দেৱী খলু জয়মতী হর্ষভূপালতুল্যং পুত্রৰত্নং প্রসূতে।

অন্বয়ার্থ ঃ ধাতা (বিধাতাই) যত্নাৎ (যতনেৰে) জয়ায়াঃ (জয়াৰ) স্তন্যৰূপং পয়ঃ (স্তনৰূপী গাখীৰ) জনয়তি (উৎপাদন কৰালে), ৰমন্যাঃ (ৰমনীৰ) প্রসৱসময়ঃ (প্রসৱসময়) নাতিদূৰে তু (বেছি পলমত নহয়) এতৎ চিহ্নং (তাৰেই এয়াই চিন)। শুভফলযুতে (শুভফলময়) লগ্নে কালে (লগ্নৰ সময়ত) সা ইয়ং দেৱী খলু জয়মতী (সেই দেৱী অর্থাৎ ৰাজবধূ জয়মতীয়ে)

হর্ষভূপালতুল্যং (হর্ষবর্দ্ধনৰ নিচিনা) পুত্রৰত্নং প্রসূতে (এটি ৰত্ন সদৃশ অর্থাৎ উত্তম পুত্র জন্ম দিলে)।

অসমীয়া অনুবাদ ঃ বিধাতাই অতি যত্নেৰে জয়মতীৰ স্তনৰূপী গাখীৰ উৎপাদন কৰিলে। তিৰোতাৰ (অর্থাৎ জয়াৰ) প্রসবৰ সময় বেছি দূৰত নহয় বুলি এয়াই তাৰ চিন (অর্থাৎ সাধাৰণতে তিৰোতাৰ স্তন বৃদ্ধিৰ জৰিয়তে সন্তান প্রসৱৰ সময় সমাগত বুলি ধৰা হয়।) শুভফলময় লগ্নৰ সময়ত সেই দেৱী জয়মতীয়ে হর্ষবর্দ্ধনৰ নিচিনা এটি উত্তম পুত্রৰ জন্ম দিলে।



জানি থোৱা ভাল

হর্ষভূপালঃ হর্ষভূপাল মানে হৈছে ৰজা হর্ষবর্দ্ধন। তেওঁ কনৌজৰ ৰজা আছিল। শিলালিপি অনুসাৰে তেওঁ খ্রীষ্টাব্দ ৬০৬ৰ পৰা ৬৪৭ লৈ ৰাজ্য শাসন কৰিছিল। তেওঁৰ দেউতাক আছিল প্রভাকৰবর্দ্ধন আৰু মাতৃ আছিল যশোমতী। জ্যেষ্ঠ ভাতা আছিল ৰাজ্যবর্দ্ধন আৰু ভনী আছিল ৰাজ্যশ্রী। হর্ষবর্দ্ধনৰ প্রবল পৰিক্রমাৰ বিষয়ে বাণভট্টৰ দ্বাৰা ৰচিত 'হর্ষচৰিত'ত বিস্তৃতভাৱে পোৱা যায়। হর্ষবর্দ্ধন প্রাগ্‌জ্যোতিষপুৰ অর্থাৎ প্রাচীন কামৰূপৰ বর্মনবংশৰ শ্রেষ্ঠ ৰজা ভাস্কৰ বর্মা (খ্রীষ্টাব্দ ৬০১ত সিংহাৰোহন কৰিছিল)ৰ সৈতে বন্ধুত্ব আছিল।

২৪ নং শ্লোক

অন্বয় ঃ ক্বণনমধুৰে ৰম্যদেশে কো২পি দুৰাত্মা নাসীৎ যঃ দুর্দিষ্ট্যা ৰাজপুত্রং বিলোক্য সুখী ন ভৱতি। তূর্যবাদ্যচয়ানাং ক্বণনবিৰলং চ অত্র ন অভূৎ, যেন বধিৰজনজং শ্রোত্রং জন্মবার্তাবিমূঢ়ম্।

অন্বয়ার্থ ঃ ক্বণনমধুৰে (বীণা আদি বাদ্যৰ শব্দেৰে মুখৰিত) ৰম্যদেশে (ৰম্যদেশত) কো২পি (এনে কোনো) দুৰাত্মা (দুৰাত্মা) নাসীৎ (নাছিল)। তূর্য্যবাদ্যচয়ানাং (মৃদঙ্গ আদি মঙ্গলবাদ্যসমূহৰ) ক্বণনবিৰলং (ধ্বনিৰো অভাৱ) চ অত্র ন অভূৎ (ইয়াত হোৱা নাছিল), যেন (যাৰ দ্বাৰা) বধিৰ জনজং (বধিৰ অর্থাৎ কাণেৰে নুশুনা জনৰো) শ্রোত্রং (কানো) জন্মবার্তাবিমূঢ়ম্ (জন্মবাতৰিত অজ্ঞ আছিল)।

অসমীয়া অনুবাদ ঃ বীণা আদি বাদ্যৰ শব্দেৰে মুখৰিত ৰম্যদেশত এনে কোনো দুৰাত্মা নাছিল, যিজনে দুর্ভাগ্যবশতঃ ৰাজপুত্রক দেখি সুখী হোৱা নাছিল। মৃদঙ্গ আদি মঙ্লবাদ্যসমূহৰ ধ্বনিৰো অভাৱ ইয়াত হোৱা নাছিল, যাৰ দ্বাৰা বধিৰ জনৰো কাণ (ৰাজপুত্রৰ) জন্মবাতৰিত অজ্ঞ আছিল।

২৫ নং শ্লোক

অন্বয় ঃ কান্তিপুষ্টিসমূহে সুৰপতিসমং পুত্রং লব্ধা তস্যাঃ পত্যুঃ বদনকমলং স্মিতহাস্যং প্রকাশ্য পত্নৈ ঊচে-শুভে জয়মতি। চিত্তপদ্মে লীলাবদ্ধঃ পৰমপুৰুষঃ কিয়ান্তং হাস্যলাসং তনোতি।

অন্বয়ার্থ ঃ কান্তিপুষ্টিসমূহে (কান্তি তথা পুষ্টিসমূহত) সুৰপতি সমং (সুৰপতি অর্থাৎ ইন্দ্রৰ সমান) পুত্রং লব্ধা (পুত্র লাভ কৰি) তস্যাঃ পত্যুঃ (তেওঁৰ স্বামী গদাপাণি) বদনকমলং (মুখকমলে) স্মিতহাস্যং (মিচিকিয়া হাঁহিৰ) প্রকাশ্য (প্রকাশ কৰি) পত্নৈ ঊচে (পত্নীক সুধিছিল)— শুভে! জয়মতি। (হে কল্যাণী জয়মতী) চিত্তপদ্মে (কমলসদৃশ হৃদয়ত) লীলাবদ্ধঃ (লীলাৰ চলেৰে বদ্ধ হৈ থকা) পৰম পুৰুষঃ (পৰম পুৰুষে) কিয়ান্তং (কিমান পৰিমাণৰ) হাস্যলাসং তনোতি (হাঁহিৰ বিলাস বিস্তাৰ কৰিছে)

অসমীয়া অনুবাদ ঃ কান্তি তথা পুষ্টতা প্রভৃতিত ইন্দ্রৰ সমান পুত্র লাভ কৰি তেওঁৰ স্বামী গদাপাণিৰ পদুমফুলসদৃশ মুখখনে মিচিকিয়া হাঁহি প্রকাশ কৰি পত্নীক সুধিছিল— হে কল্যাণী জয়মতী, পদুমফুল সদৃশ তোমাৰ হৃদয়ত লীলাবশতঃ বদ্ধ হৈ থকা পৰমপুৰুষে কিমান পৰিমাণৰ হাঁহিৰ বিলাস বিস্তাৰ কৰিছে।

২৬ নং শ্লোক

অন্বয় ঃ সদ্যঃ অভিনৱতনয়ং স্বচিহ্নে বীক্ষ্য মাতা স্নেহাৎ গণ্ডে হস্তং গময়তি, শিশোঃ চুম্বনাৎ ভাষতে চ, সুবৎস, ইহ জগতি ত্বং প্রাণেভ্যো২পি শ্রেষ্ঠঃ এৱ ইতি মন্যে। লাইসংজ্ঞঃ কুলজতিলকঃ (ভূত্বা) দীর্ঘং জীব্যাঃ।

অন্বয়ার্থ ঃ সদ্য (এতিয়া) অভিৱতনয়ং (পানীকেচুৱাক) স্বচিহ্নে (নিজৰ কোলাত) বীক্ষ্য (চাই) মাতা (মাকে) স্নেহাৎ (চেনেহেৰে) গণ্ডেঃ (গালত) হস্তং গময়তি (হাত বুলাইছিল), শিশোঃ (শিশুটোক) চুম্বনাৎ (চুমা খাই) ভাষতে চ (আৰু কৈছিল), সুবৎস। (হে মোৰ সুপুত্রঃ) ইহ জগতি (এই জগতত) ত্বং (তুমি) প্রাণেভ্যো২পি (মোৰ প্রাণতকৈয়ো) শ্রেষ্ঠঃ (শ্রেষ্ঠ অর্থাৎ প্রিয়) এৱ ইতি মন্যে (বুলি ভাবো)। লাইসংজ্ঞঃ (লাই নামেৰে) কুলজতিলকঃ (কুলৰ তিলক) (ভূত্বা = হৈ) দীর্ঘং জীব্যাঃ (দীর্ঘজীৱী হোৱা)।

অসমীয়া অনুবাদ ঃ পানীকেচুৱাটোক নিজৰ কোলাত চাই মাকে চেনেহেৰে গালত হাত বুলাইছিল আৰু শিশুটোক চুমা খাই কৈছিল, হে মোৰ

সুপুত্র, এই জগতত তুমি মোৰ প্ৰাণতকৈয়ো প্ৰিয় বুলি ভাবোঁ। 'লাই' নামেৰে কুলৰ তিলক হৈ দীৰ্ঘজীৱী হোৱা।

২৭ নং শ্লোক

অন্বয় ঃ ধাত্রীত্যক্তে (প্রেষিতে) কৰযুগলকে দত্তহস্তঃ কুমাৰঃ য়দা প্রীত্যা পঞ্চ ষড্ বা পদানি অস্থিৰং প্রচলতি, (তদা) তস্য অদূৰে (স্থিত্বা) জননী হসতি, সতৃষ্ণং প্রেক্ষতি চ, য়স্মাৎ স্নেহমূর্তিঃ জনিত্রী পুত্রে সুখং গণয়তি।

অন্বয়ার্থ ঃ ধাত্রীত্যক্তে (ধাইমাকে) (প্রেষিতে = আগবঢ়াই দিয়া) কৰযুগলকে (হাত দুখনত) দত্তহস্তঃ (তেওঁৰ হাতেৰে ধৰি) কুমাৰঃ (কুমাৰে) য়দা (যেতিয়া) প্রীত্যা (আনন্দেৰে) পঞ্চ ষড্ বা পদানি (পাঁচ-ছয় খোজ মান) অস্থিৰং (ঠোকো - বোকো কৈ) প্রচলতি (আগবঢ়াইছিল), (তদা = তেতিয়া) তস্য (তেওঁৰ) অদূৰে (ওচৰত) (স্থিত্বা = থাকি) জননী (মাকে) হসতি (হাঁহিছিল), সতৃষ্ণং প্রেক্ষতি চ (আৰু হেপাহেৰে দৃষ্টিপাত কৰিছিল)। য়স্মাৎ (কিয়নো) স্নেহমূর্ত্তিঃ (স্নেহশীলা) জনিত্রী (জননীয়ে) পুত্রে (পুত্রত) সুখং গণয়তি (সুখ অনুভব কৰে)।

অসমীয়া অনুবাদ ঃ ধাইমাকে আগবঢ়াই দিয়া হাত দুখনত তেওঁৰ হাতেৰে ধৰি যেতিয়া কুমাৰে আনন্দৰে পাঁচ-ছয় খোজমান ঠোকো-বোকোকৈ আগবঢ়াইছিল, তেতিয়া তেওঁৰ ওচৰত থকা মাকে হাঁহিছিল আৰু হেঁপাহেৰে দৃষ্টিপাত কৰিছিল। কিয়নো স্নেহশীলা জননীয়ে পুত্রৰ মাজতে সুখ অনুভৱ কৰে।

২৮ নং শ্লোক

অন্বয় ঃ প্রমোদানাং লসিতজলধৌ মোদিনৌ দম্পতী বৈ কদাচিৎ কিঞ্চিত্মাত্রং কুশলৰহিতং ন অনুভূতৌ। এৱং সৌখ্যে সুৰভি সময়ে (গতে সতি) তস্যাঃ ক্রোড়ে সদনসুখদঃ বংশকান্ত দ্বিতীয়ঃ সুপুত্রঃ প্রাদুৰাসীৎ।

অন্বয়ার্থ ঃ প্রমোদানাং (আনন্দৰ) লসিতজলধৌ (উজ্জ্বল সমুদ্রতঃ মেদিনৌ (আমোদ কৰি থকা) দম্পতী (পতি-পত্নীয়ে) কদাচিৎ (কেতিয়াও) কিঞ্চিৎ মাত্রং (অলপো) কুশলৰহিতং (অমঙ্গল) ন অনুভূতৌ (অনুভব কৰা নাছিল)। এৱং (এনেকৈ) সৌখ্যে (সুখৰ) সুৰভিসময়ে (মনোজ্ঞসময়) (গতে সতি = যোৱাৰ পিছত) তস্যাঃ (তেওঁৰ) ক্রোড়ে (কোলাত) সদনসুখদঃ (ঘৰখনৰ সুখ দিওতা) বংশকান্ত (বংশৰভিতৰতেই সুন্দৰ)

দ্বিতীয় (দ্বিতীয়জন) সুপুত্ৰঃ (পুত্ৰসন্তান) প্ৰাদুৰাসীৎ (আবির্ভাৱ হৈছিল)।

অসমীয়া অনুবাদ ঃ আনন্দত উজ্জ্বল সমুদ্ৰত অৱগহন কৰি থকা পতি-পত্নীয়ে কেতিয়াও অলপো অমঙ্গল অনুভৱ কৰা নাছিল। এনেকৈয়ে সুখৰ মনোজ্ঞসময় পাৰ হৈ থকাৰ সময়ত তেওঁৰ অর্থাৎ জয়মতীৰ কোলাত ঘৰখনৰ সুখ দিওতা তথা বংশৰ ভিতৰতেই সুন্দৰ দ্বিতীয়জন সুপুত্ৰৰ জন্ম হৈছিল।

২৯ নং শ্লোক

অন্বয় ঃ যাদৃক্ ত্ৰেতায়াং ৱৈ ভজননিপুণঃ শ্ৰেষ্ঠধন্বা লক্ষ্মণঃ সদয়মনসা সুষ্ঠু ৰামং সেৱয়ামস, এষঃ সর্বথা ৱৈ জ্যেষ্ঠং সেৱতাং, এৱং মনসি আধায় সাম্যসংজ্ঞাং চ তেনে।

অন্বয়ার্থ ঃ যাদৃক্ (যেনেকৈ) ত্ৰেতয়াং (ত্ৰেতাযুগত) ভজননিপুণঃ (সেৱাকার্য্যত নিপুণ) শ্ৰেষ্ঠধন্বা (শ্ৰেষ্ঠ ধনুর্দ্ধৰ) লক্ষণঃ (লক্ষ্মণে) সদয়মনসা (আনন্দ মনেৰে) সুষ্ঠু (সুন্দৰভাৱে) ৰামং (ৰামচন্দ্ৰক) সেৱয়ামাস (সেৱা কৰিছিল), এষঃ (এৱো অর্থাৎ দ্বিতীয় পুত্ৰই) সর্বথা (সকলো ফালে) জ্যেষ্ঠং (অগ্ৰজ জনক) সেৱতাম্ (সেৱা কৰিব), এবং (এনেদৰে) মনসি (মনতে) আধায় (ভাবি) সাম্যসংজ্ঞাং (মাকে সমানতা থকা নাম) চ তেনে (ৰাখিছিল)।

অসমীয়া অনুবাদ ঃ যেনেকৈ ত্ৰেতাযুগত সেৱাকার্য্যত নিপুণ, শ্ৰেষ্ঠ ধনুর্দ্ধৰ, লক্ষ্মণে আনন্দমনেৰে সুন্দৰভাৱে ৰামচন্দ্ৰক সেৱা কৰিছিল। ঠিক তেনেদৰে এৱোঁ অর্থাৎ দ্বিতীয় পুত্ৰই সকলো ফালেদি অগ্ৰজজনক সেৱা কৰিব। এনেদৰে মনতে ভাবি মাকে তেওঁৰ বাবে সাম্য নাম এটা (অর্থাৎ ডাঙৰজনৰ লগত সমানতা থকা) ৰাখিছিল।

৩০ নং শ্লোক

অন্বয় ঃ মাত্ৰা দত্তা জগতি বিদিতা পুত্ৰসংজ্ঞা প্ৰশস্যা (অস্তি), তস্মাৎ স লোকমধ্যে লেচাঃ প্ৰথিতো ভৱতি মন্যে। য়দা পুত্ৰযুক্তা স্বগেহে প্ৰচলতি (তদা) এতৎ দৃশ্যং চ, যাদৃক্ সিংহী শাবকাভ্যাস্ (সহ) বনে নির্ভয়া বিচৰতি।

অন্বয়ার্থ ঃ মাত্ৰা (মাকৰ দ্বাৰা) দত্তা (দিয়া বা ৰখা) জগতি বিদিতা (জগতবিদিত) পুত্ৰসংজ্ঞা (পুত্ৰৰ নামকৰণ) প্ৰশস্যা (অস্তি) (প্ৰশংসনীয়), তস্মাৎ (সেয়েহে) স (তেওঁ) লোকমধ্যে (সমাজৰ মাজত) লেচাঃ (লেছাই) প্ৰথিতো ভৱতি মন্যে

(নামেৰে জনাজাত হ'ল হবলা)। য়দা (যেতিয়া) পুত্রযুক্তা (পুত্রেৰে সৈতে) স্বগেহে (নিজৰ ঘৰত) প্রচলতি (লৰাচৰা কৰা সময়ত), এতৎ দৃশ্যং চ (এনেকুৱা দেখিবলৈ পোৱা গৈছিল যে) যাদৃক্ (যেনেদৰে) সিংহী (এজনী সিংহীয়ে) শাৱকাভ্যাম্ (দুটি সিংহ পোৱালীৰ) (সহ = সৈতে) বনে (বনত) নির্ভয়া বিচৰতি (নির্ভয়ে বিচৰণ কৰি আছে)।

অসমীয়া অনুবাদ ঃ মাকৰ দ্বাৰা ৰখা জগতবিদিত পুত্র নাম (সদায়েই) প্রশংসনীয়, সেয়েহে হ'বলা তেওঁ (দ্বিতীয় পুত্র) সমাজৰ মাজত লেছাই নামেৰেই জনাজাত হ'ল। যেতিয়া পুত্রেৰে সৈতে নিজৰ ঘৰৰ ভিতৰত বিচৰণ কৰা সময়ত, এনেকুৱা দেখিবলৈ পোৱা হৈছিল যে, এজনী সিংহীয়ে নিজৰ দুটি পোৱালীৰ সৈতে বননিত নির্ভয় হৈ বিচৰণ কৰি আছে।

৩১ নং শ্লোক

অন্বয় ঃ সংসাৰে যৎ ভগভোগভাগনিৱহং মানুষৈঃ মৃগ্যতে, অত্র বিশ্বেশৰাজ্যে মনুজৈঃ (তৎ) সকলং সদা দুর্লভ্যং কিল। পুনঃ গদা দাম্পত্যযোগাৎ প্রথমম্ বিধাতৃবিভৱং আসাদ্য তৎ সর্বৈঃ ধনধান্য ভোগনিকৰৈঃ সম্যক্ ৰাজতে।

অন্বয়ার্থ ঃ সংসাৰে (সংসাৰত) যৎ (যি) ভগভোগনিৱহং (ঐশ্বর্য্য ভোগৰ অংশবোৰ) মানুষৈঃ (মানুহে) মৃগ্যতে (অন্বেষণ কৰে), অত্র (এই) বিশ্বেশৰাজ্যে) (ভগৱানৰ ৰাজ্যত) মনুজৈঃ (মানুহৰ দ্বাৰা) তৎ (সেই) সকলং (আটাইবোৰ) সদা (সদায়ে) দুর্লভং কিল (লাভ কৰাটো কঠিন)। পুনঃ (আকৌ) গদা (গদাপাণিয়ে) দাম্পত্যযোগাৎ (দাম্পত্যসম্বন্ধৰ জৰিয়তে) প্রথম (প্রথম) বিধাতুবিভৱং (বিধাতাৰ বিভৱ, অর্থাৎ জয়মতীৰূপ সৃষ্টিকর্তাৰ প্রথম সম্পদ) আসাদ্য (লাভ কৰি), তৎ সর্বৈঃ (সেই আটাইবোৰ) ধনধান্যভোগনিকৰৈঃ (ধন-ধন্যে ভোগৰ মাজেদি) সম্যক্ ৰাজতে (যথাযোগ্যভাৱে বিৰাজ কৰিছিল)।

অসমীয়া অনুবাদ ঃ মানুহে যিবোৰ ঐশ্বর্য্য ভোগৰ অংশবোৰ অন্বেষণ কৰে, সেই আটাইবোৰ বিশ্বনাথ অর্থাৎ জগৎস্রষ্টাৰ এই সংসাৰত সদায়ে লাভ কৰাটো কঠিন। কিন্তু দাম্পত্য সম্বন্ধৰ জৰিয়তে গদাপাণিয়ে বিধাতাৰ প্রথম বিভৱ অর্থাৎ বিধাতাৰ প্রথম সৃষ্টি হিচাপে জয়মতীৰূপ যি সম্পদ, লাভ কৰিলে, (তাৰ দ্বাৰাই) সেই আটাইবোৰ ধন-ধান্য ভোগৰ মাজেদি যথাযোগ্যভাৱে বিৰাজ কৰিছিল।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ জয়মতীৰ প্ৰথমজন পুত্ৰৰ নাম কি?

.....

প্ৰশ্ন নং ৭ ঃ প্ৰথম পুত্ৰ লাইক কাৰ লগত তুলনা কৰা হৈছে?

.....

প্ৰশ্ন নং ৮ ঃ সুৰপতি কোন?

.....

প্ৰশ্ন নং ৯ ঃ জয়মতীৰ দ্বিতীয় সন্তানটোৰ নাম কি?

.....

প্ৰশ্ন নং ১০ ঃ ৰামচন্দ্ৰক কোন যুগৰ বুলি কোৱা হয়?

.....



৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- 'সতী জয়মতী'ৰ দ্বিতীয় প্ৰৱাহৰ ১৬ টা শ্লোক পঢ়িব পাৰিলে।
- শ্লোকসমূহৰ মূল সংস্কৃত পাঠ তথা অন্বয় বুজিব পাৰিলে।
- শ্লোকসমূহৰ অন্বয়াৰ্থ আৰু অনুবাদৰ লগত চিনাকী হ'ব পাৰিলে।
- গদাপাণিৰ আৰু জয়মতীৰ যুগ্ম জীৱনৰ বিষয়ে জানিব পাৰিলে।
- গদাপাণিৰ দুই পুত্ৰৰ বিষয়ে অৱগত হ'ব পাৰিলে।



৫.৫ অধিক জানিবলৈ

১) শৰ্মা, (ড°) দীপক কুমাৰ, (২০০৫), *ভৱদেৱভাগবতিনঃ সতী জয়মতী,* নলবাৰী, কিতাপঘৰ।

২) ভাগৱতী, ভৱদেৱ, (১৯৯৮), *সতী জয়মতী,* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা, কলা, সংস্কৃতি সংস্থা (তৃতীয় প্ৰকাশ)।

৩) গোস্বামী, (ড°) মালিনী, (১৯৯৮), *অসমত সংস্কৃত চৰ্চাৰ ইতিহাস,* গুৱাহাটী ঃ অসম সাহিত্য সভা।



৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ জয়মতী।

২ নং প্ৰশ্নৰ উত্তৰ ঃ স্বামী গদাপাণিৰ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চাৰি বছৰৰ পিছত।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ সূৰ্য্য দেৱতাক।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বসন্তকাল।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ লাই।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰজা হৰ্ষবৰ্দ্ধনৰ লগত।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ দেৱতা ইন্দ্ৰ।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ লেছাই।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ ত্ৰেতা যুগৰ।



৫.৭ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ 'সতী জয়মতী'ৰ দ্বিতীয় প্ৰবাহত কিমানটা শ্লোক আছে?

প্ৰশ্ন ২ ঃ সৰসিজপতি কোন?

প্ৰশ্ন ৩ ঃ 'কোৰকৈঃ যুজ্যমানা' বুলি কাৰ কথা কোৱা হৈছে?

প্ৰশ্ন ৪ ঃ 'হৰ্ষভূপাল' কোন?

প্ৰশ্ন ৫ ঃ গদাপাণিৰ হাঁহিয়ে জয়মতীক কি সুধিছিল?

খ) ৰচনাধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ দ্বিতীয় প্ৰবাহৰ শেষাংশৰ সাৰাংশ লিখক।

প্ৰশ্ন ২ ঃ গদাপাণিৰ পুত্ৰ লাইৰ জন্ম বৃত্তান্ত বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ জয়মতীৰ সুখৰ সংসাৰ কেনেকৈ বৰ্ণনা কৰা হৈছে আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ নিম্নোক্ত শ্লোকসমূহ ব্যাখ্যা কৰক।

শ্লোক সংখ্যা — ২০, ২৩, ২৪, ২৯।

*** ***** ***